# সপ্তম অধ্যায়

: সপ্তম অধ্যায় :

## ০.০৭.০০ সত্ৰাধিকাৰ স্বৰূপে মিত্ৰদেৱ মহন্তৰ ভূমিকা ::

০.০৭.০১ বিভিন্ন ধৰ্ম সংস্কৃতিৰ প্ৰচাৰ, বিতৰণ, সংৰক্ষণ আৰু সাধনৰ মাধ্যম বেলেগ বেলেগ ৰীতি-নীতিৰে শৃংখলিত হ'লেও অসমৰ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্মক অসমৰ পৰিস্থিতিৰ লগত খাপ খুৱাই বিভিন্ন ধৰ্মাৱলম্বীলোকে সহজতে গ্ৰহণ কৰিব পৰাকৈ ইয়াৰ সুদৃঢ় ভেটি প্ৰতিষ্ঠা কৰি থৈ গৈছিল 'সত্ৰ'ৰ যোগেদি । সত্ৰই হৈছে বৈষ্ণৱ ধৰ্ম সংস্কৃতিৰ বিতৰণ, সংৰক্ষণ আৰু সাধনৰ একমাত্ৰ সুন্দৰ অনুষ্ঠান । সত্ৰক এখন সুন্দৰ সমাজেই বুলিব পাৰি । কিয়নো এই সমাজৰ মাজেদি আধ্যাত্মিক, সাংস্কৃতিক আদি যাৱতীয় কাৰ্যত উদ্দীপনা, অনুপ্ৰেৰণা আৰু আত্মবিশ্বাস যোগাই শিক্ষা আৰু কলা-সংস্কৃতিৰ সৰ্বাঙ্গীন চৰ্চাৰে জাতিবৰ্ণ নিৰ্বিশেষে সমাজৰ উন্নতি সাধন কৰিব পাৰি । এই সত্ৰক সুন্দৰ আৰু সু-পৰিকল্পিত ভাবে পৰিচালনা কৰিবৰ বাবে থাকে প্ৰতি সত্ৰতে এজন গুৰিয়াল বা মুৰব্বী আৰু কেন্দ্ৰ পুৰুষ । সেই মুৰব্বী বা কেন্দ্ৰ পুৰুষজনকে 'সত্ৰাধিকাৰ' নামেৰে বিভূষিত কৰা হয় ।

১৯৪৭ খ্ৰিষ্টাব্দত মিত্ৰদেৱ মহন্তৰ পিতাক শ্ৰীশ্ৰী নিৰঞ্জন দেৱ গোস্বামী বৈকুণ্ঠ প্ৰয়াণ হোৱাৰ পিছতেই মিত্ৰদেৱ মহন্তই সৰ্বাই-বন্ধাৰ শ্ৰীশ্ৰী নেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিব লগীয়া হৈছিল যদিও প্ৰকৃততে মহন্তই ১৯৫০ খ্ৰিষ্টাব্দত টিক চাকৰিৰ পৰা

অৱসৰ লোৱাৰ পিছতহে সত্ৰাধিকাৰ হিচাপে নিৰ্মালি শিৰত লয় । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰ লগত কথাই কামে মিল ৰাখি নেটুগ্ৰাম সত্ৰৰ যি অধিকাৰৰ গুৰু দায়িত্ব মিত্ৰদেৱ মহন্তই পালন কৰিলে প্ৰকৃতাৰ্থতেই তেওঁ এজন যোগ্য পুৰুষ আৰু যোগ্য সত্ৰৰ অধিকাৰ ।

সত্ৰীয়া পৰম্পৰাত তেওঁ পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ বাপুকৃষ্ণদেৱৰ পৰিণাতি শ্ৰীশ্ৰীনিৰঞ্জনদেৱৰ পিছত সত্ৰৰ নিৰ্মালি শিৰত লৈ সত্ৰ ও সমাজৰ লগত ওতপ্ৰোত ভাৱে জড়িত হৈ উনানব্বৈ বছৰ পৰ্যন্ত এটি ব্যস্ত জীৱন যাপন কৰে । অধিকাৰ হিচাপে ৰজাঘৰ, পজাঘৰ তথা সত্ৰীয়া সমাজত তেওঁ এজন জনপ্ৰিয় আৰু প্ৰতিভাশালী সত্ৰাধিকাৰ আছিল । অসম চৰকাৰ তথা বিশ্ববিদ্যালয় সমূহেও অসমৰ জাতীয় আৰু ধৰ্ম-সংস্কৃতি বিষয়ৰ সকলো কথাতে মহন্তৰ দিহা পৰামৰ্শৰ ওপৰত নিৰ্ভৰ কৰিছিল ।

ধৰ্মাচাৰ্য হৈয়েই মিত্ৰদেৱ মহন্তই নেটুগ্ৰাম সত্ৰৰ শাখা -প্ৰশাখা সমূহৰ পৰামৰ্শ বিচাৰ সময়কে মিলাই একেকটী কৰাৰ যতন কৰিছিল । দৰ্শন, সৃষ্টিতত্ত্ব বিচাৰ আদিক তেওঁ জীৱন যাত্ৰাৰ সহায়ক হিচাপেহে গ্ৰহণ কৰিছিল । নীতি সদাচাৰ তেওঁৰ জীৱন যাত্ৰাৰ আধাৰ স্বৰূপ আছিল আৰু সকলোৱে সহজতে বুজিব, উপলব্ধি আৰু গ্ৰহণ কৰিব পৰাকৈ তত্ত্বসমূহৰ সহজ ব্যাখ্যা তেওঁ দিছিল । সামাজিক, ব্যক্তিগত সকলো দিশতে তেওঁৰ এই তত্ত্বসমূহ আৰু অমায়িক স্বভাৱৰ বাবে বহুতেই উপকৃত হৈছিল । পাপীক ঘিণ নকৰি পাপক ঘিণ কৰি আৰু পাপীয়ে

নিজ কৰ্মফলৰ পৰা কি ৰূপে উদ্ধাৰ পাব পাৰে তাৰহে তেওঁ ব্যৱস্থা দিছিল ।

মিত্ৰদেৱ মহন্তই স্ব-হস্তে আঠত্ৰিশজন সত্ৰাধিকাৰক নিৰ্মালি দিছিল আৰু অভিষেকো কৰাইছিল । পৰম্পৰা মতে আজ্ঞাপ্ৰাপ্ত ব্যক্তিজনেই সত্ৰৰ সত্ৰাধিকাৰ হয় । সত্ৰ সমাজে সামাজিক ভাবে নিৰ্মালি দি যোগ্যজনক অভিষেক কৰে । এই অভিষেক অনুষ্ঠান পৰিচালনা কৰিবলৈ জ্ঞানী ও বয়োজ্যেষ্ঠ অধিকাৰ এজনক আমন্ত্ৰণ জনায় আৰু বাকী সত্ৰাধিকাৰসকলে সহযোগ কৰে । এই অভিষেক কাৰ্য মিত্ৰদেৱ মহন্তই অতি সুন্দৰ আৰু নিখুঁতভাবে পৰিচালনা কৰিব পাৰিছিল । অসমৰ চাৰি সংহতিৰ কেউটি সংহতিতে তেওঁ 'অধিকাৰ'ৰ নিৰ্মালি প্ৰদান কৰিছে । ব্ৰাহ্মণ, কায়স্থ নিৰ্বিশেষে মহন্তই পৰমাৰ্থী গুৰুৰূপে মানি কথাবস্তু গ্ৰহণ কৰিছিল ।

মহন্তই নিজৰ লেটুগ্ৰাম সত্ৰত নৱধা ভক্তি সম্পূৰ্ণ কৰিবলৈ যতন কৰিছিল । ঐতিহাসিক মায়ামৰা সম্প্ৰদায়ৰ লগত চাৰিও সংহতিৰ আনুষ্ঠানিক মিলন মহন্তদেৱৰ যতনতে সম্ভৱ হৈ উঠিছিল । 'শ্ৰাদ্ধ হৰিবাসৰ হৰিমূৰ্তি ব্ৰাহ্মণ' তেওঁ নুই নকৰিছিল । ধৰ্মানুষ্ঠান-সমূহ জনকল্যাণকামী শিক্ষানুষ্ঠান স্বৰূপে চৰকাৰৰ সহযোগী বুলি তেওঁ বিচাৰ কৰিছিল । ধৰ্ম সংস্কৃতিৰ মাজেদি ৰাষ্ট্ৰীয় শিক্ষাও দিয়া হৈছিল আৰু মিত্ৰদেৱ মহন্ত এই ক্ষেত্ৰত সফল শিক্ষক আছিল । অৱশ্যে মিত্ৰদেৱ মহন্ত আছিল ৰাজনীতিৰ উদ্ধৰ্ত । সেয়ে সঙ্গীত নাটক

একাডেমীৰ ৰাষ্ট্ৰপতিৰ পৰা বঁটা গ্ৰহণ কৰোঁতে তেওঁ -- ''শংকৰ-মাধৱ চৰণ স্মৰণ কৰি এই পুৰস্কাৰ গ্ৰহণ কৰিছোঁ'' বুলি কৈছিল ।[১]

মিত্ৰদেৱ মহন্তই সংহতি বিভাজনৰ পিছত সৃষ্টি হোৱা তথা আউল লাগি থকা আৰু ক্ৰমাত অৱনতিৰ ফালে বাট লোৱা সত্ৰীয়া সমাজখনিৰ সংস্কাৰ সাধন কৰি অসমীয়া ৰাইজৰ কল্যাণ সাধন কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল । প্ৰাচীন পন্থী সত্ৰীয়া সমাজৰ পৰা আতৰি যোৱা লোকসকলৰ লগতো সদভাৱ সম্প্ৰীতি ৰক্ষাৰ ত্ৰুটি কৰা নাছিল আৰু সত্ৰসমূহৰ ভিতৰত থকা কোৰোণসমূহ দূৰ কৰি সত্ৰীয়া সমাজখনক এক সুস্থ আৰু টনকিয়াল কৰাৰ আশাশুধীয়া চেষ্টা চলাইছিল ।

১৯৪২ খ্ৰিষ্টাব্দত মিত্ৰদেৱ মহন্তৰ সৌজন্যত যোৰহাটৰ 'শ্ৰীশ্ৰীকাথবাপু সত্ৰত সত্ৰসমূহৰ মাজত সদভাৱ-সম্প্ৰীতি বৃদ্ধিৰ কাৰণেই সামূহিক ভাবে যোৰহাটৰ বিভিন্ন সত্ৰৰ গোঁসাই মহন্তসকলে শিষ্যবৰ্গ আৰু স্থানীয় ৰাইজৰ সহযোগত পোন প্ৰথম বাৰৰ বাবে উজনি অসমত শ্ৰীশ্ৰী শংকৰদেৱ মহাপুৰুষৰ জন্মোৎসৱ তিথি ভাগী পালন কৰা হয় । সেই উৎসৱতে মিত্ৰদেৱ মহন্ত আৰু সেই সত্ৰৰ ডেকা সত্ৰাধিকাৰ কমল চন্দ্ৰ গোস্বামীৰ উদ্যোগত 'সন্ত সন্মিলনী' অনুষ্ঠান এটি স্থাপনৰ প্ৰস্তাৱো গৃহীত হয় । সেই সময়ৰ পৰাই প্ৰতি বছৰে জন্মোৎসৱৰ লগতে 'সন্ত সন্মিলনী'ৰো অধিবেশন বহে । অৱশ্যে ইয়াৰ পূৰ্বেও আঞ্চলিক ভিত্তিত যোৰহাট, তেজপুৰ, নগাওঁ, কলিয়াবৰ, লক্ষীমপুৰ আদিতো

---

১. প্ৰফুল্ল চন্দ্ৰ মহন্ত : শ্ৰদ্ধা অৰ্ঘ্য, সত্ৰাধিকাৰ মিত্ৰদেৱ মহন্ত(প্ৰৱন্ধ), পৃ:৩৮

ধৰ্মালোচনী সভা একোখনিকৈ আছিল যদিও সেই সভাবিলাকৰ মাজত যোগসূত্ৰ স্থাপনৰ বাবে কোনো এখন কেন্দ্ৰীয় অনুষ্ঠান নাছিল ।

১৯৪৫ খ্ৰিষ্টাব্দত মিত্ৰদেৱ মহন্তৰ উদ্যোগত সদৌ অসম ভিত্তিত সেই উদ্দেশ্যেই কেন্দ্ৰীয় ধৰ্মীয় অনুষ্ঠানৰূপে কলিয়াবৰত গঢ়ি উঠে 'অসম সত্ৰ সংঘ' । যোৰহাটত 'অসম সত্ৰ সংঘ' ৰ প্ৰধান কাৰ্যালয় স্থাপন হয় । প্ৰধান সম্পাদক হয় মোহন চন্দ্ৰ মহন্ত আৰু সহকাৰী সম্পাদক হয় চক্ৰধৰ মহন্ত । ইয়াৰ উপদেষ্টা হ'ল মিত্ৰদেৱ মহন্ত । এই তিনিগৰাকীৰ আশাশুধীয়া চেষ্টাৰ ফলত অতি কম সময়ৰ ভিতৰতে 'অসম সত্ৰ সংঘ'ৰ এটি বিশেষ অনুষ্ঠান ৰূপে পৰিগণিত হয় ।

যোৰহাটৰ তীৰ্থনাথ গোস্বামী, মোহন চন্দ্ৰ মহন্ত, কমল চন্দ্ৰ গোস্বামী, চক্ৰধৰ মহন্ত, তেজপুৰৰ গহন চন্দ্ৰ গোস্বামী, নগাঁও কলিয়াবৰৰ নাৰায়ণ মহন্ত, নিশিকান্ত মহন্ত আৰু মহিকান্ত মহন্ত আদিয়েও এই ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়াই যায় । অসম সত্ৰ সংঘৰ প্ৰধান ভূমিকা লোৱা মিত্ৰদেৱ মহন্ত, মোহন চন্দ্ৰ মহন্ত আৰু চক্ৰধৰ মহন্ত এই ত্ৰিমূৰ্তিয়ে মাজুলীৰ বিখ্যাত চাৰিসত্ৰীয়া সমূহ আৰু শ্ৰীশ্ৰীকমলাবাৰী সত্ৰ, শ্ৰীশ্ৰীবেঙেনাআটি সত্ৰ, উজনিৰ শ্ৰীশ্ৰীদিনজয় মায়ামৰা সত্ৰসমূহক এই সংঘত যোগদিয়াই ইয়াক শক্তিশালী কৰি কালসংহতি, পুৰুষ সংহতি, নিকা সংহতি আৰু ব্ৰহ্ম সংহতি এই চাৰিও সংহতিৰ শিষ্যবৰ্গৰ মাজত জনপ্ৰিয় কৰি ঐক্যৰ ডোলেৰে বান্ধি একত্ৰ কৰাৰ প্ৰচেষ্টা চলায় ।

১৯৭০ খ্রিষ্টাব্দত যোৰহাট ঢৰাজান অধিবেশনত শ্ৰীশ্ৰীকুৰুৱাবাহী সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুৱে সভাপতিত্ব কৰিছিল আৰু পিচত গড়মূৰীয়া গোস্বামীয়ে সত্ৰ সংঘৰ সভাপতি ৰূপে ছয় সাত বছৰ-কাল সংঘৰ কাৰ্য পৰিচালনা কৰিছিল। এই দুয়োজনা সভাপতি প্ৰভুৱেই মিত্ৰদেৱ মহন্তৰ পৰা সকলো ধৰণৰ দিহা পৰামৰ্শ গ্ৰহণ কৰিছিল।

এই 'অসম সত্ৰ সংঘ'ৰ ত্ৰিমূৰ্তিৰ মহাৰথী মিত্ৰদেৱ মহন্তই এফালে যেনেকৈ শ্ৰীশ্ৰীশংকৰদেৱৰ মহাপুৰুষ জন্ম তিথি অকল সত্ৰসমূহৰ মাজতে আৱদ্ধ নাৰাখি এই আৱদ্ধতাৰ প্ৰাচীৰ ভাঙি দিয়ে আৰু আনফালেদি তেওঁৱেই ৰাইজৰ মাজতো এই জন্মোৎসৱ পালন কৰাৰ পৰামৰ্শ আগবঢ়ায়। সেই উদ্দেশ্যেই ঐতিহ্যমণ্ডিত সৰ্বাইবন্ধাৰ বালিগাঁও অঞ্চলৰ বাৰ চোৰ্ধখনি খেলৰ ৰাইজ একত্ৰিত হৈ এটি নামঘৰত এই জন্মোৎসৱ মহাসমাৰোহেৰে পালন কৰিছিল। সেই জন্মোৎসৱৰ বাবে গঠন হৈছিল এখন স্থায়ী সমিতি আৰু মিত্ৰদেৱ মহন্ত আছিল সেই সমিতিৰ স্থায়ী সভাপতি। তদুপৰি ১৯৩০ খ্ৰিষ্টাব্দত প্ৰতিষ্ঠিত যোৰহাট নগৰৰ 'শংকৰমন্দিৰ' নামঘৰ সমিতিৰো তেওঁ সভাপতিৰূপে ৫৩ বছৰ কাল কাৰ্য নিৰ্বাহ কৰিছিল। মহন্তই 'অসম সত্ৰ সংঘ'ৰ জনপ্ৰিয়তা গৃহস্থ লোকসকলৰ মাজতো বৃদ্ধি কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিল আৰু সেইমতে ফলৱতী হৈছিল আৰু তাৰে ফল স্বৰূপে বৰ্তমান এই উৎসৱ উজনি অসমৰ প্ৰায় জনবহুল অঞ্চলত অতি ধুমধামেৰে পালন কৰি আহিছে -- মিত্ৰদেৱ মহন্তৰ পৰামৰ্শ মতে।[১]

---

১. চন্দ্ৰ কান্ত মহন্ত : শ্ৰদ্ধাঅৰ্ঘ্য, শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ আৰু অসম সত্ৰ সংঘ(প্ৰবন্ধ), পৃ:৪১-৪৩

যোৰহাট নগৰৰ সমীপস্থ, ৰজাবাৰীত অসম সত্ৰ সংঘই এটি সাংস্কৃতিক কেন্দ্ৰ গঢ়ি তুলিছে । এই সাংস্কৃতিক অনুস্থানটোৰ পৰামৰ্শদাতা আছিল মিত্ৰদেৱ মহন্ত । চৰকাৰৰ পৰা ভূমি গ্ৰহণ কৰাৰ পৰা ধৰি গৃহ নিৰ্মাণ আদি সকলো কাৰ্যতে মিত্ৰদেৱ মহন্তৰ আদেশ, নিৰ্দেশ, দিহা পৰামৰ্শ অপৰিহাৰ্য আছিল । মহন্তৰ অশেষ প্ৰচেষ্টাতে কেন্দ্ৰৰ নামঘৰ মণিকূট আদি যোৰহাটৰ বিখ্যাত চাহ ব্যৱসায়ী হেমেন বৰুৱা ডাঙৰীয়াৰ সৌজন্যত দান স্বৰূপে লাভ কৰে ।

ধৰ্মানুষ্ঠানসমূহ জনকল্যাণকামী শিক্ষানুষ্ঠান স্বৰূপ বুলিব পাৰি । ধৰ্ম সংস্কৃতিৰ মাজেদি ৰাষ্ট্ৰীয় শিক্ষাও ইয়াত প্ৰতিফলিত হয় । এই ক্ষেত্ৰত সত্ৰাধিকাৰ মিত্ৰদেৱ মহন্ত তাৰ পৰমাৰ্থ গুৰু আছিল বুলি ক'ব পাৰি । নিজৰ সত্ৰত তেওঁ সদায়েই নৱধা ভকিত সম্পূৰ্ণ কৰিবলৈ যতন কৰিছিল । ঐতিহাসিক মায়ামৰা সম্প্ৰদায়ৰ লগত চাৰি সংহতিৰ আনুষ্ঠানিক মিলন মিত্ৰদেৱ মহন্তৰ যতনতে সম্ভৱ হৈছিল ।

'শ্ৰদ্ধা অৰ্ঘ্য' স্মৃতি গ্ৰন্থৰ ব্যৱস্থাপনা সমিতিৰ সদস্য প্ৰফুল্ল চন্দ্ৰ মহন্তদেৱে কৈছে ---

> : মহাপুৰুষীয়া ধৰ্ম্ম সংস্কৃতিৰ পৰা সকলোৱে সমল গ্ৰহণ কৰিব পাৰে । জ্ঞানদাতা গুৰুজনে নিজৰ স্থান বুজি স্থবিৰতা, জড়তা, পঙ্গুতা আৰু দুৰ্বলতা দূৰ কৰি

> হৃদয়স্পৰ্শী গভীৰ আলাপ আলোচনাৰ দ্বাৰা জনগণৰ কোমল মনত মনীষা জগাই দিয়াৰ দায়িত্ব পালন কৰিব পাৰিব লাগে । তেখেতৰ সান্নিধ্য লাভ কৰা সকলে এইখিনি পাইছিল ।[৩]

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সত্ৰ স্থাপন কৰি একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল বিভিন্ন গীতমাত, নাটক, গ্ৰন্থাদি সৃষ্টি কৰি তাৰ মাজেদি । ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই এই সাহিত্যসমূহ সৃষ্টি কৰিছিল । ধৰ্ম প্ৰচাৰৰ এক উত্তম মাধ্যম হৈছে সাহিত্য সৃষ্টি । মিত্ৰদেৱ মহন্তই কিন্তু নিজেই স্বীকাৰ কৰিছে যে তেওঁ কিন্তু ধৰ্ম প্ৰচাৰৰ বাবে শংকৰদেৱৰ দৰে সাহিত্য সৃষ্টি কৰা নাছিল । বৰঞ্চ এই ক্ষেত্ৰত মিত্ৰদেৱ মহন্তই কিছু অসুবিধাহে পাইছিল । তাৰ নিদৰ্শন তেওঁৰ লগত হোৱা প্ৰসেনজিৎ কুমাৰ গোস্বামীৰ সাক্ষাৎকাৰৰ কথা কেইটিমানৰ পৰাই অনুমান কৰিব পাৰি ---

> : মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱে ধৰ্ম প্ৰচাৰৰ বাবেই সাহিত্য সৃষ্টি কৰিছিল । ধৰ্মাচাৰ্য্য ৰুকাই কিন্তু ধৰ্মৰ বাবেই সাহিত্য সৃষ্টি কৰা নাছিল । বৰং ধৰ্মাচাৰ্য্য হৈ তেখেতে সাহিত্য চৰ্চা কৰিবলৈ আহুকালহে পাইছিল । কাৰণ সত্ৰাধিকাৰ হোৱাৰ পিচত সাহিত্যচৰ্চা কৰিবলৈ অসুবিধা পাইছে নেকি বুলি সোধাত তেখেতে হাঁহি হাঁহি কৈছিল --- ''সত্ৰাধিকাৰ হোৱা আৰু টেটুত কলহ বান্ধি পানীত সাঁতোৰা একে বিধৰ কথা । তাতেই বুজিবা''।[৪]

---

৩. প্ৰফুল্ল চন্দ্ৰ মহন্ত : শ্ৰদ্ধা অৰ্ঘ্য, সত্ৰাধিকাৰ শ্ৰীমিত্ৰদেৱ মহন্ত (প্ৰবন্ধ), পৃঃ৪০

৪. প্ৰসেনজিৎ কুমাৰ গোস্বামী : ল'ৰাৰ মিত্ৰদেৱ, প্ৰঃসঃ, ১৯৮৭, পৃঃ২৮

### ০.০৭.০২ সত্ৰ আৰু সত্ৰৰ স্বৰূপ :

পৰ্বত, ভৈয়াম, নদ-নদী, বন-বননি, প্ৰাকৃতিক দৃশ্যৰে সুশোভিত মহাপূণ্যভূমি ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত অসম দেশৰ ধৰ্ম, সভ্যতা আৰু সংস্কৃতিয়ে অতি ঐতিহ্যমণ্ডিত তাক আৰু দোহাৰাৰ প্ৰয়োজন নাই । এই অতুলনীয় অসমৰ মাজেৰে প্ৰৱাহিত হৈছে মহাবাহু ব্ৰহ্মপুত্ৰ তীৰ্থ নদৰাজ । ইয়াৰ দুয়োপাৰে আছে অসমীয়া জাতি,জনজাতি আৰু উপজাতি আদি । অসমীয়া জাতিয়েই সুৰক্ষিত কৰি ৰাখিছে অসমৰ ভাষা-সাহিত্য, কলা-সংস্কৃতি আৰু ধৰ্মৰ ধ্বজা । এই ধৰ্মধ্বজা বৰ্তমানেও সুমণ্ডিত আৰু সুৰক্ষিত কৰি ৰাখিছে ভগৱানৰ বিভূতি অৱতাৰী মহাপুৰুষসকলৰ দ্বাৰা সংগঠিত আৰু সুপ্ৰতিষ্ঠিত অসমৰ সত্ৰ সমূহে । এই সত্ৰসমূহকে অসমৰ ধৰ্ম আৰু সংস্কৃতিৰ প্ৰাণ স্বৰূপ বুলিব পাৰি ।

আঠাইশ সহস্ৰ ঋষি বেদত প্ৰধান ।  
বিষ্ণুৰ নৈমিষ ক্ষেত্ৰে মহা পূণ্যস্থান ।।  
যান্য কৰি সূতক পাতিলা সত্ৰ তথা ।  
শৌনিক প্ৰমুখ্যে শুনে ভাগৱত কথা ।।৫ ।।[৫]

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পদছন্দেৰে সংক্ষিপ্ত ৰূপত বৰ্ণোৱা মঙ্গলাচৰণ আৰু ঋষি প্ৰশ্নত শ্ৰীমদভাগৱতৰ প্ৰ:স্ক: ৫মপদত বৰ্ণিত ওপৰোল্লিখিত উক্তিৰ পৰা সত্ৰৰ বিষয়ে বিস্তৃত ভাৱে জানিব নোৱাৰিলেও সংক্ষিপ্তৰূপে এই কথা বুজিব পাৰিয়ে - য'ত সন্ত, মহন্ত,ভক্ত,ব্ৰাহ্মণ,

---

৫. শ্ৰীমন্ত শংকৰদেৱ : শ্ৰীমদভাগৱত, প্ৰথম স্কন্ধ,৫ম শ্লোক,(সম্পা.) শ্ৰীখগেন্দ্ৰ নাথ পাঠক, প্ৰকাশক : বদন চন্দ্ৰ বৰুৱা,বৰুৱা এজেন্সিজ, প্ৰ:প্ৰ:, ১৯৮৫

বৈষ্ণৱসকল একত্রিত হৈ পৰমেশ্বৰৰ লীলা মাহাত্ম্য আদিৰ গুণ-গান, শ্ৰৱণ কীৰ্তন আৰু যাগ-যজ্ঞাদি কাৰ্যসমূহ সম্পাদান কৰি নিবাস কৰে সেই স্থানকেই সত্ৰ আখ্যান দিব পাৰি ।

সত্ৰ সম্বন্ধে শৰণ মালিকাত এনেদৰে বৰ্ণনা আছে --

যত্ৰাচৰন্তি সদধৰ্ম্মান কেৱলা ভগৱত প্ৰিয়াঃ ।
নৱধা ভগৱদভক্তি প্ৰত্যহং যত্ৰ বিদ্যতে ।।
তৎ সত্ৰং উত্তমং ক্ষেত্ৰং বৈষ্ণৱং সুৰবন্দিতম্ ।
তথাস্থা বৈষ্ণৱাঃ সৰ্ব্ব হৰিনাম পৰায়ণাঃ ।।

( শৰণ মালিকা)

ওপৰোক্ত শ্লোকৰ পৰাও এই কথা বুজিব পাৰি যে যি স্থান দেৱতা আৰু বৈষ্ণৱৰ দ্বাৰা বন্দিতা, একান্ত ভকতসকলে ঈশ্বৰৰ প্ৰিয় কাৰ্য সাধন কৰে যি স্থানত আৰু যি স্থানত দৈনন্দিন নৱবিধ ভক্তি-য়ে বিৰাজ কৰে, সেই শ্ৰেষ্ঠ স্থানকে সত্ৰ বুলি কোৱা হয় । তাত বাস-কৰা সকলো বৈষ্ণৱ হৰিনাম পৰায়ণা ।

বৈৱস্বত পুৰাণতো এই সত্ৰ সম্বন্ধে কিছু আভাস পোৱা যায় এনেদৰে ---

সংসাৰী জীৱৰ যাতো ছেদিয়া সংশয় ।
নানান প্ৰকাৰে যোগ অৰ্থ দেখায় ।।
বৈকুণ্ঠৰ নাথ মোৰ আজ্ঞা যাতো থাকে ।
জীৱৰ শৰণ কৰাই সত্ৰ বোলে তাকে ।।

( বৈৱস্বত পুৰাণ, পদ-৭৮)

বিভিন্ন পুথিত বিভিন্ন প্ৰকাৰে 'সত্ৰ' শব্দৰ অৰ্থ প্ৰকাশ কৰিলেও এই কথা ঠিক যে 'সত্ৰ' শব্দটো পৌৰাণিক আৰু মহা গুৰুজনাইহে ইয়াক পোন প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰি কাৰ্য সাধন কৰিছিল।

নতুন কমলাবাৰী সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীয়ে কয় ---

> : 'সত্ৰ' শব্দটো পৌৰাণিক বা প্ৰাচীন শব্দ হ'লেও ই ব্যৱহাৰিক ক্ষেত্ৰত পৌৰাণিক নহয়। জগতগুৰু শংকৰ মাধৱদেৱৰ দিনত আৰু উত্তৰ কালৰ কিছু বছৰলৈ যত্ৰ সম্ভৱ 'সত্ৰ' শব্দটো ধৰ্মানুষ্ঠান বোৰত ব্যৱহাৰ হোৱা নাছিল বুলিয়েই ভবা হয়। 'স্থান' নামৰ এটা বিশেষ শব্দ (সত্ৰ শব্দৰ প্ৰতিশব্দ ৰূপে) ব্যৱহাৰ হৈছিল যদিও দুজনা মহাপুৰুষৰ দিনত ব্যৱহাৰ হৈছিলনে নাই সন্দেহৰ বিষয় ( স্থানক থোৰতে 'থান' বুলিও কয় )। কিন্তু এইটো নিশ্চিত যে 'সত্ৰ' শব্দটো শংকৰদেৱৰে সৃষ্টি। অসমৰ বাদে ভাৰতৰ অন্য প্ৰদেশৰ ধৰ্ম্মানুষ্ঠান বিলাকত বোধহয় এতিয়ালৈকে 'সত্ৰ' বা 'স্থান' শব্দ ব্যৱহাৰ হোৱা নাই।[৬]

'সত্ৰ' শব্দটো ভুল। প্ৰকৃত শুদ্ধ ৰূপ 'সত্ত্ৰ' হে হ'ব লাগে বুলি হেমচন্দ্ৰ বৰুৱাই তেওঁৰ অসমীয়া অভিধান 'হেমকোষ'ত সাব্যস্ত কৰিছে বুলি মহেশ্বৰ নেওগে সত্ৰ সংস্কৃতিৰ স্বৰ্ণৰেখা গ্ৰন্থৰ

---

৬. নাৰায়ণ চন্দ্ৰ গোস্বামী : সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা, প্ৰস্তাৱনা, প্ৰ:প্ৰ: ১৯৮৪, পৃ: ২-৩

ভূমিকাত উল্লেখ কৰিছে আৰু লগতে এই কথাও উল্লেখ কৰিছে যে 'সত্ৰ' শব্দ বৈদিক যুগৰ সমানেই পুৰণি । 'শতপথ ব্ৰাহ্মণ'ত(১৩. ৬. ১) তাৰ প্ৰয়োগ আছে কেইবাদিনো জুৰি হোৱা যজ্ঞৰ অৰ্থত । মহাপুৰুষ শংকৰদেৱে শব্দটি কিন্তু 'ভাগৱত পুৰাণ'ৰ পৰাহে লোৱা বুলি অনুমান হয় ।[৭]

'সত্ৰ' মানে সৎ + ত্ৰ = পুণ্যধামলৈ গতি কৰা অৰ্থাত বা 'সত' (ধাৰ্মিক লোক ) 'ত্ৰ' ( ত্ৰাণ কৰে ) = সৎলোকক ত্ৰাণ কৰে । এইবোৰত 'সত্ৰ' বুজায় যেনে - ১) ধৰ্মস্থান, ২) যজ্ঞ, ৩) দাতব্য ভোজনালয়, ৪) নিৰ্ধাৰিত কাল, ৫) যোগ, ৬)কৰ্মবিধি, ৭) গৃহ, ৮) অৰণ্য, ৯) আচ্ছাদন, ১০) সদাদান, ১১) সদাব্ৰত, ১২)ধন, ১৩) কৈতৱ , ১৪) সৰোবৰ আদি । প্ৰথম স্কন্ধ: ভাগৱতত এই সম্বন্ধে এনেদৰে বৰ্ণনা আছে ---

নৈমিষে নিমিষে ক্ষেত্ৰে ঋষয় : শৌনকাদায় ।
সত্ৰং স্বৰ্গায় লোকায় সহস্ৰ সমমাসত ।।

( ভাগৱত/প্ৰথম স্কন্ধ:)

মহাভাগৱতৰ অপ্ৰমাদী টীকাকাৰ শ্ৰীধৰ স্বামীয়ে এই শ্লোকৰ টীকা এনেকৈ কৰিছে -- ''সহস্ৰাৰ সমাং সং বৎসৰা: অনুষ্ঠান কালা: যস্য তৎ সত্ৰং সত্ৰ সংজ্ঞকং ।''[৮]

---

৭. মহেশ্বৰ নেওগ : সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা, ভূমিকা

৮.নাৰায়ণ চন্দ্ৰ গোস্বামী : প্ৰাগুক্ত গ্ৰন্থ, পৃ: ৩

শাস্ত্র মতে 'সত্র' শব্দটোৱে প্ৰকৃতাৰ্থত যজ্ঞভূমি বুজায় । 'যজ্ঞ' মানে পবিত্ৰ অৰ্থাৎ 'পবিত্ৰভূমি' । এই পবিত্ৰ ভূমি আকৌ শংকৰদেৱৰ কীৰ্তনত উল্লেখ আছে এনে ধৰণে --

: তোমাৰ চৰণ চিন্ত যথাত ভকত থাকে
সেহি পুণ্য সেহি তীৰ্থ স্থান ।
তোমাৰ অমৃত কথা ধাৰায়ে বহয় যথা
তাক যিটোজনে কৰে পান ।। (কীৰ্ত্তন)

এতিয়া দেখা যায় যে এই 'সত্র' অৰ্থাৎ 'যজ্ঞভূমি' বা 'পবিত্ৰভূমি' নিৰ্মাণ হয় য'ত ঈশ কথা ভকতৰ মুখত প্ৰকাশ পায় ; য'ত অবিৰাম ভকতৰ সমাৱেশ হৈ সৎ আলাপ আলোচনা, শুদ্ধাভক্তি আৰু ভগৱানৰ গুণ গৰিমা শ্ৰৱণ-কীৰ্তন হয় আৰু ভগৱন্তয়ো নিজ আনন্দ, সুখ আদি পৰিহৰি ভকতৰ তদগদ বা তন্ময় ৰিতস্হ ভকতৰ আকুল আহ্বানত তেৰাসবৰ নিকটস্হ হৈ আত্ম বিস্মৃত হয় । সেই ভকত ভগৱন্তৰ পদৰজ-পুত স্হানেই হ'ল 'সত্র' বা 'স্হান' ।

শংকৰ মাধৱদেৱৰ দিনত যি ধৰ্মাভিলাষী জনসাধাৰণৰ ধৰ্মৰ প্ৰতি আসক্তি হৈছিল তেওঁলোকে নিজ বিষয়াসক্তি ত্যাগ কৰি বৃদ্ধ, অৰ্দ্ধবৃদ্ধ, ব্ৰাহ্মণ, অব্ৰাহ্মণ সেই সকলোৱেই দুজনা গুৰুৰ সান্নিধ্যত শৰণ ভজন ধৰ্ম গ্ৰহণ কৰি নিজে বৈষ্ণৱ হোৱাৰ উপৰিও এই নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত নিজকে আত্ম নিয়োগ কৰিছিল । তদনুবৰ্তী ধৰ্মগুৰু

মহাপুৰুষ বদলা আতা, গোপাল আতা, মথুৰা দাস আতা, নাৰায়ণ দাস আতা, বংশী গোপালদেৱ, দামোদৰ দেৱ আদি গুৰুসকল দিনলৈকে বিষয় বাসনা ত্যাগী জনসাধাৰণে ধৰ্মমুখী হৈ একান্ত ভকত হিচাপে স্বীকৃতি পাইছিল । কিন্তু পৰৱৰ্তী কালত বা বৰ্তমান কালত ধৰ্ম প্ৰচাৰক সকলৰ ধৰ্ম ভাৱত উদাসীন, দুৰ্বল তথা বিষয়াসক্ত হোৱা নাইবা আকৰ্ষণ গুণ হীন হোৱা হেতুকে বিষয়ত্যাগী ভকতৰ সমাবেশত কিছু বাধাৰ সৃষ্টি হ'বলৈ ধৰিছে ; অন্যকি কোনো কোনো ঠাইত ই নিশকটীয়া হিচাপে পৰম্পৰা ৰক্ষা কৰি চলি আছে আৰু কোনো কোনো ঠাইত ইয়াৰ অৱসান ঘটাও পৰিলক্ষিত হৈছে ।

## ০.০৭.০৩ সত্ৰৰ বিষয়বৰীয়াসকল :

এখন সত্ৰ গঢ়ি উঠিলেই নহ'ব । সেই সত্ৰখন পৰিচালনা কৰিবৰ বাবে তাৰ কাৰ্যভাৰ বিভিন্ন বিষয়াৰ ওপৰত ন্যস্ত কৰা হয় । সত্ৰখনি নিয়াৰিকৈ পৰিচালনা কৰাত এই বিষয়বৰীয়াসকলৰ দায়িত্ব অপৰিসীম । গতিকে এখন সত্ৰৰ উন্নতি, প্ৰগতি আনফালেদি সেই সত্ৰখনিৰ শ্ৰদ্ধা, ভক্তি, আকৰ্ষণ আৰু স্থায়ীত্বতাও নিৰ্ভৰ কৰে এই বিষয়বৰীয়াসকলৰ ওপৰতেই ।

ড' মহেশ্বৰ নেওগৰ গৱেষণা গ্ৰন্থত বিষয়বৰীয়াসকলৰ তালিকা আছে যদিও সেইখনৰ কিছু সংশোধন কৰি ড' কেশৱানন্দ দেৱ গোস্বামীয়ে তেওঁৰ 'সত্ৰ সংস্কৃতিৰ ৰূপৰেখা'ত দিয়া তালিকাৰ পৰা এই বিষয়বৰীয়াসকলৰ নাম ইয়াত উল্লেখ কৰা হ'ল ।[১]

---

১. কেশৱানন্দ দেৱ গোস্বামী: সত্ৰ সংস্কৃতিৰ ৰূপৰেখা, দ্বিতীয় প্ৰকাশ, ১৯৮৬, পৃ: ৭১-৭৩

১) <u>অধিকাৰ</u> : সত্ৰৰ বিবিধ ধৰ্মীয় অনুষ্ঠান আৰু তাৰ সুপৰিচালনাৰ বাবে এগৰাকী গুৰিয়াল বাছি লোৱা হয়। সেই গুৰিয়াল বা গৰাকী গৰাকীজনেই সত্ৰাধিকাৰ বা অধিকাৰ বোলা হয়।

২) <u>আলধৰা</u> : অধিকাৰ গৰাকীক ব্যক্তিগত ভাবে আল-পৈচান ধৰা লগুৱা স্বৰূপ ব্যক্তি গৰাকীয়েই হ'ল আলধৰা।

৩) <u>মেধি</u> : সত্ৰভেদে মেধিৰ কেইবাটাও ভাগ আছে; যেনে - ৰাজমেধি, বৰমেধি, পাখি মেধি ইত্যাদি। মেধিয়ে অধিকাৰৰ প্ৰতিনিধিৰ কাম কৰে। বিশেষভাৱে সত্ৰৰ পৰা আঁতৰত থকা শিষ্যবৰ্গৰ কৰকটাল তোলা আদি কাৰ্য-ভাৰ মেধিৰ ওপৰত ন্যস্ত থাকে। কোনো কোনো সত্ৰত ৰাজমেধিয়ে গুৰুৰ হৈ শৰণ ভজনো দিব পাৰে।

৪) <u>পাঁচনি</u> : সত্ৰৰ বাৰ্তাবাহক ৰূপে পাঁচনিয়ে তেওঁৰ কাৰ্য কৰিব লাগে। কেতিয়াবা সময় সাপেক্ষে আল-ধৰাৰ কাম কৰিব লগীয়া হয়।

৫) <u>মুক্তিয়াৰ</u> : সত্ৰৰ সকলোধৰণৰ পঞ্জীয়কৰ কাম মুক্তিয়াৰে কৰে। হিচাপ পত্ৰ ৰখা, অধ্যাদেশ জাৰি কৰা আৰু খাত-পাম আদি থকা সত্ৰসমূহত সেই খাত-পাম বোৰৰো হিচাপ পত্ৰ ৰখা কামৰ দায়িত্ব হৈছে এই মুক্তিয়াৰৰ। কোনো কোনো মুক্তিয়াৰৰ পৰিবৰ্তে মজুমদাৰ পদ থাকে।

৬) খাটনিয়াৰ : ৰজাঘৰৰ লগত বিভিন্ন বিষয়ত সম্পর্ক ৰক্ষা কৰোঁতা সত্ৰৰ বিষয়াক খাটনিয়াৰ বোলা হয় । কেতিয়াবা কেতিয়াবা মুক্তিয়াৰৰ ৰাজহ-সংগ্ৰহ আদি ভাৰ খাটনিয়াৰেও বহন কৰিব লগীয়া হয় ।

৭) হাটীমতা : সত্ৰৰ চৌদিশে থকা হাটীৰ লোকসকলক প্ৰাৰ্থনা বা অন্য যি কোনো কামত খবৰ দি গোটাই অনাৰ ভাৰ এইগৰাকী বিষয়াৰ ওপৰত থাকে । আৰু হাটীৰ পৰা এনেদৰে মতাৰ বাবে তেওঁৰ নাম হৈছে হাটীমতা ।

৮) নামঘৰীয়া : কীৰ্তন ঘৰটি সাৰি মচি ভালকৈ ৰাখিবৰ বাবে একোজন ব্যক্তিক দায়িত্ব দিয়া হয় আৰু সেইজন ব্যক্তিক নামঘৰীয়া বোলা হয় । গাঁওবিলাকৰ কীৰ্তন ঘৰ বা নামঘৰতো একে নামেৰেই অৰ্থাৎ নামঘৰীয়া নামে নামঘৰীয়া থাকে ।

৯) পালধৰীয়া: সত্ৰৰ কীৰ্তন ঘৰ, হাটী আৰু চৌহদত চকু দিবলৈ একোএকোজন ব্যক্তি নিয়োগ কৰা হয় । তেওঁলোকে সময়ে সময়ে পালপাতি পাতি এই কাৰ্য সমাধা কৰে । এনে ব্যক্তিকে পালধৰীয়া বোলা হয় ।

১০) নামলগোৱা : কীৰ্তন ঘৰৰ প্ৰসঙ্গ চলাবৰ কাৰণে নাম গাব জনা এগৰাকী অভিজ্ঞ লোকক ভাৰ দিয়া হয় ; তেওঁকে নাম লগোৱা বোলে । বেলেগ বেলেগ সময়ৰ প্ৰসঙ্গৰ বাবে বেলেগ নাম লগোৱা নিযুক্ত হ'ব পাৰে । নাম লগোৱাৰ দুটা ঘাইভাগ আছে । এটা ভাগ হ'ল - শিৰৰ বা মূলৰ নাম লগোৱা আৰু আনটো ভাগ হ'ল দোহাৰৰ নাম লগোৱা ।

১১) পাঠক : নামৰ অন্তত বা এনেয়েও ধৰ্মপুথিৰ পৰা সুৰ লগাই গাবৰ বাবে যি ব্যক্তি নিয়োগ কৰা হয় তেওঁকে পাঠক বোলে ।

১২) ভাগতী বা ভাগৱতী : ভাগৱত, গীতা আদি সাধাৰণতে সংস্কৃত পুথি পাঠ আৰু ব্যাখ্যা কৰিবৰ বাবে যি গৰাকী লোকৰ ওপৰত এই দায়িত্ব ন্যস্ত কৰা হয় তেওঁকে ভাগতী বা ভাগৱতী বোলা হয় ।

১৩) গায়ন-বায়ন : সত্ৰৰ যোৱা প্ৰসঙ্গ আদি চলাবৰ বাবে মূল গায়ন- আৰু বায়নৰ উপৰিও আন পালিৰ গায়ন-বায়ন থাকে । মূলৰ দুজনক যথাক্ৰমে বৰ গায়ন আৰু বৰ বায়ন বোলে ।

১৪) সূত্ৰধাৰ : সত্ৰীয়া সঙ্গীতত অভিজ্ঞ এজন লোকহে হ'ব পাৰে । ভাওনাত তেওঁ সেই ভূমিকা গ্ৰহণ কৰাৰ উপৰিও সত্ৰৰ নটুৱা লৰাবোৰক নৃত্য বা নাচৰ যিজনে শিক্ষা দিয়ে তেওঁকেই সূত্ৰধাৰ বোলে ।

১৫) দেউৰী বা বিলনীয়া : প্ৰসাদ বা যোগান প্ৰসঙ্গৰ বাবে যোগাৰ কৰিবলৈ আৰু প্ৰসঙ্গৰ অন্তত তাক সমজুৱাৰ মাজত বিলাই দিবলৈ বহুকেইজন দেউৰি নিযুক্তি দিয়া হয় । মূলজনক বৰ দেউৰি আৰু বাকীসকলক পালি দেউৰি বোলা হয় । এই ক্ষেত্ৰত যি কোনো বৰ্ণ বা সম্প্ৰদায়ৰ লোকেই দেউৰি বাব পাব পাৰে ।

১৬) ভঁৰালী : সত্ৰৰ ভাণ্ডাৰৰ যাৱতীয় বস্তুৰ হিচাপ-পাতিৰে সৈতে সুৰক্ষিত ভাবে ৰাখিবৰ বাবে যিজনৰ ওপৰত এই ভাৰন্যস্ত কৰা হয় সেইজনকে ভঁৰালী বোলা হয় ।

১৭) লিখক : সত্ৰৰ বাবে পুথি আদি প্ৰস্তুত কৰোঁতা গৰাকীকে লিখক বোলে । এই লিখকে পুথি আৰু দুষ্প্ৰাপ্য পুথিৰো প্ৰতিলিপি আদি কৰি ৰখাৰ দায়িত্ব বহন কৰে ।

১৮) খনিকৰ : ভাওনাৰ ছোঁ-মুখা, সত্ৰৰ থাপনা,আসন, চৈপা আৰু পুথি আদিৰ নানা চিত্ৰ অঁকা আদি কাৰ্য সমাধান কৰিবৰ বাবে যি ব্যক্তি নিয়োগ কৰা হয় তেওঁকে খনিকৰ বোলা হয় ।

এই বিষয়ববীয়া সকলৰ বাহিৰেও ওজা-পালিৰ বাবে ওজা, নটুৱা আৰু বহুৱা আদি ব্যক্তিকো সত্ৰসমূহৰ অপৰিহাৰ্য অঙ্গ বুলি বিবেচনা কৰা হয়।

০.০৭.০৪ অসমত বৈষ্ণৱ ধৰ্ম পৰম্পৰা ৰক্ষাত সত্ৰৰ ভূমিকা :

মহাপুৰুষসকলে সত্ৰানুষ্ঠানসমূহ প্ৰতিষ্ঠা কৰাৰ মূল উদ্দেশ্য বা তাৎপৰ্যৰ কথা হ'ল জনগণক জ্ঞানৰ পোহৰ বিলোৱা অৰ্থাৎ সৎপথ, সৎ চৰিত্ৰ, সৎ আদৰ্শ আদিৰ মাধ্যমেৰে মানুহৰ জীৱনবোধ উদবুদ্ধ কৰি হৃদয়ত ঈশ্বৰক একান্তচিত্তে স্থাপন কৰি জীৱন যাত্ৰাত অগ্ৰসৰ হোৱা। ঈশ্বৰ প্ৰেমৰ মাজেদি সমাজক সত্য, শৌচ, দয়া, ক্ষমা আদি সত্ত্বগুণ সমূহ পালনতো জনসাধাৰণক সুশিক্ষিত কৰোৱা।

মূলতে ইয়াৰ পৰিলক্ষণীয় কথা হ'ল মানৱ ধৰ্ম। মানৱ-ধৰ্মনো কি ? মানৱ ধৰ্মই নো মানুহক কি কৰে ? ইত্যাদি বিলাক কথা পুংখানুপুংখ ৰূপে জনগণক আদৰ্শ আৰু জ্ঞানেৰে বুজাই তোলাটোৱেই সত্ৰ সমূহৰ মৌলিকতত্ত্ব। এনেবোৰ সৎগুণ সত্ৰসমূহত নিহিত আৰু ভৰপূৰ হৈ থকাৰ বাবেই সত্ৰসমূহক আনফালেদি জনকল্যাণ অনুষ্ঠানো বুলিব পাৰি। সেয়েহে শতশত বছৰৰ পিছতো আজিও অসমৰ সত্ৰসমূহে প্ৰাচীন পৰম্পৰা ৰক্ষা কৰি মধ্যাহ্ন সূৰ্যৰ দৰে উজ্জ্বল হৈ নাথাকিলেও অস্তমিত ৰবিৰ দৰে স্তিমিত ভাবে হলেও কিৰণ বিতৰণ কৰি থাকিব।

মহাপুৰুষ শংকৰদেৱে পাতি থৈ যোৱা সত্ৰ সংখ্যা সংখ্যাত অধিক নাছিল যদিও সময়ৰ অগ্ৰগতিত ইয়াৰ সংখ্যা যথেষ্ট হয়গৈ আৰু একান্ত গোটেই অসমৰ লোকৰ বাবে আধ্যাত্মিক, নৈতিক শিক্ষাৰ লগতে বিবিধ বৈষয়িক শিক্ষাৰ বাবে এই সত্ৰসমূহ প্ৰাণকেন্দ্ৰ হৈ পৰে। কেৱল ধৰ্ম অথবা সঙ্গীত আদি সুকুমাৰ কলাৰ শিক্ষা, চিন্তা, চৰ্চা আৰু অনুশীলন অভ্যাসৰ ক্ষেত্ৰই নহয় মানুহক ৰুচিশীলভাৱে স্বাৱলম্বী হৈ শিক্ষিত বিদ্যায়তনিক সমাজ এখন গঢ়ি তোলাতো যথেষ্ট বৰঙণি যোগাই আহিছে এই সত্ৰসমূহে।

সত্ৰত এজন সাধাৰণলোকৰ শৰণ-ভজন অতি আৱশ্যকীয় আচাৰ ৰীতি-নীতিৰ শিক্ষা দি দেহ-মন উভয়ৰে উৎকৰ্ষ সাধনৰ চেষ্টা কৰা হয়। নীতি নিয়ম পালনৰ উদ্দেশ্য হ'ল পৰিস্কাৰ পৰিচ্ছন্নতা। বিশ্বাস হয় যে মন শুদ্ধ নহলে চিন্তা চৰ্চা শুদ্ধ হব নোৱাৰে আনফালেদি বাহিৰ পবিত্ৰ বা পৰিস্কাৰ নহলে ভিতৰখনো পবিত্ৰ হব নোৱাৰে। শৰণ লোৱা দিনৰ পৰা মানুহজনে লোভ, মোহ, কাম, ক্ৰোধ, মদ মাৎসৰ্য, দম্ভ, দেবষ্য আদি ভাব আৰু মিছা, বেশ্যা, চোৰ, হিংসা আদি ত্যাগ কৰিবলৈ উপদেশ দিয়া হয়।

লিখা পঢ়াৰ ক্ষেত্ৰত বুঢ়াভকত নাইবা জনাজনে ন শিকাৰু-সকলক পাঠ দিছিল আৰু লিখিবলৈ শিকাইছিল। লিখিবৰ বাবে শিকাৰুৱে নিজেই সাঁচিপাতং, তুলাপাত, কলম, চিয়াহী প্ৰস্তুত কৰাৰ প্ৰণালীও শিকি লব লগীয়া হৈছিল। সাঁচিপাত, টিকা, কুটা আৰু ঝাওঁ দিয়া কাম

খুব সহজ নহয় । সেইবোৰ নতুন পুথি লিখা, পুৰণি পুথিৰ প্ৰতিলিপি কৰাৰ উপৰিও নটা কটা ছবি আঁকা হৈছিল যাৰদ্বাৰা সুকুমাৰ কলা বিদ্যাত এটা শ্ৰেণী গঢ়ি উঠিছিল আৰু যি লেখাৰু, খনিকৰ নামে পৰিচিত আছিল ।[10]

প্ৰকৃততে আধ্যাত্মিক জ্ঞান, ইন্দ্ৰিয় দমন, সংসাৰৰ প্ৰতি অনিত্যতা ভাব আহিলেহে মানুহে মায়াগ্ৰস্ত সংসাৰৰ পৰা হাত সাৰিব পাৰে । অসমৰ সত্ৰসমূহে সৎ চিন্তা আৰু কৰ্মৰ যোগেদি জীৱন পৰিচালিত কৰি পৰিশেষত মানুহৰ মন ঈশ্বৰমুখী কৰি তোলে ।

কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য এই ছটা অশুভ প্ৰবৃত্তি বা ৰিপুক যি সংযত অৰ্থাৎ জয় কৰিব পাৰে তেতিয়া হলে নিশ্চয় মনুষ্যসকল পৰমপিতা পৰমেশ্বৰৰ সৃজিত একে জীৱ হিচাপে কীট-পতঙ্গ, পশু-পক্ষী আদি সকলো জীৱতে ব্ৰহ্মজ্ঞানী হোৱাত অসুবিধা নহব । এনেবিলাক তত্ত্বজ্ঞান, শিক্ষা প্ৰদান কৰাৰ নিমিত্তেই অসমৰ সত্ৰসমূহ ধৰ্মৰ ভেটীত প্ৰতিষ্ঠিত । শ্ৰীমদভাগৱত মহাশাস্ত্ৰৰ সাৰ সংগ্ৰহ শাস্ত্ৰ 'ভক্তি ৰত্নাৱলী'তো এই বিষয়ে উল্লেখনীয় উপদেশ বাণী প্ৰচাৰিত হৈছে ---

ত্বক্ , চক্ষু, মন, মুখ নাসিকা শ্ৰৱণ ।  
এহি ছয় শত্ৰু অতি পৰম দুৰ্জন ।।  
কদাচিতো তৃপিতি নাহিকে তাসম্বাৰ ।  
ইহাৰ নিমিত্তে দুঃখ লভিলো অপাৰ ।।

---

১০. কেশৱানন্দ দেৱ গোস্বামী : সত্ৰ সংস্কৃতিৰ ৰূপৰেখা, দিব: প্ৰ: ১৯৮৬, পৃ: ১০২-১০৩

চক্ষু কৰ্ণ, নাসিক, জিহ্বা, ত্বক বা ছাল এই পাঁচোটিয়েই হ'ল জ্ঞানেন্দ্ৰিয় । এই জ্ঞানেন্দ্ৰিয় সমূহৰ দ্বাৰা মানৱ জীৱাত্মাই চক্ষুৰে দৰ্শন, কৰ্ণেৰে শ্ৰৱণ, নাসিকাই ঘ্ৰাণ, জিহ্বাই স্বাদ, ত্বক বা ছালেৰে স্পৰ্শ অনুভৱ কৰে । মন সকলো ইন্দ্ৰিয়ত কৈ বেচি বলবান আৰু দ্ৰুত গতিশীল বা বেগবান । গতিকে প্ৰথমে মনক দমন কৰিব পাৰিলে বাকী ৰিপু সমূহক সহজেই দমন কৰিব পৰা যায় ।

অসমৰ সত্ৰসমূহত ধৰ্মচৰ্চা কৰাৰ লগতে কলাকৃষ্টি আদিৰো যথেষ্ট চৰ্চা আৰু সাধনা কৰা হয় । তদুপৰি শৰীৰ ৰক্ষাৰ কাৰণে ব্যায়ম, আসন, প্ৰাণায়ামৰ লগত বিভিন্ন খেল ধেমালি কৰাৰ অভ্যাস কৰা হয় । ধৰ্মচৰ্চাৰ লগতে সু-স্বাস্থ্য ৰক্ষাৰ বাবে আৰু ৰোগ নিৰাময়ৰ বাবে সত্ৰবিলাকত আয়ুৰ্বেদিক পদ্ধতিৰে চিকিৎসা প্ৰণালীও চলি আহিছে ।

পৰ্বতে, ভৈয়ামে পাপী, তাপী সকলো জীৱকে উদ্ধাৰৰ বাবে ভক্ত ভগীৰথে যেনেকৈ মহাদেৱ পাৰ্বতীবল্লভ হৰৰ জটাত আৱদ্ধ থকা পতিত পাৱনী জাহ্নবী দেৱীক অৰ্থাৎ গঙ্গাক পৃথিবীলৈ বোৱাই আনিছিল ঠিক সেইদৰেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীগোপালদেৱ প্ৰভৃতি মহাপুৰুষসকলেও অসমত বিশাল হিন্দু শাস্ত্ৰ সমুদ্ৰ মন্থন কৰি অমৃতোপম সনাতন ধৰ্মৰ সোঁত বোৱাই থৈ গৈছে । যি ধৰ্ম আচৰণত মানৱ দেৱতুল্য হ'ব পাৰে ধনী-দুখীয়া, ৰোগী-নিৰোগী, উচ্চ-নীচ, পাপী-তাপী, জাতি-অজাতি সকলো ধৰ্ম-বৰ্ণ নিৰ্বিশেষে গ্ৰহণ কৰিব পাৰে । সেই সৰ্ব শক্তিমান

গুণমণ্ডিত ধৰ্মই হ'ল অসমত প্ৰৱৰ্তিত সনাতন ভাগৱতী ধৰ্ম।

অসমৰ বিখ্যাত চাৰিসত্ৰ - আউনিআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী সত্ৰৰ বাহিৰেও দিহিং, বুধবাৰী, চলিহা বাৰেঘৰ, ঘাৰমৰা, বৰমাহৰা, নিকামূল, মায়ামৰা, দিনজয় আদি বহুতো আগশাৰীৰ সত্ৰই বৰ্তমানো সনাতন ভাগৱতী বৈষ্ণৱ ধৰ্মৰ ধলেৰে চৌৰাই পৰ্বত ভৈয়াম নিকা কৰি এক ধৰ্মৰ স্ৰোত আজিও প্ৰবহমান কৰি ৰাখিছে।

'সত্ৰ আৰু সমাজ' গ্ৰন্থ প্ৰণেতা খগেন্দ্ৰ নাথ লেখাৰুৱে তেওঁৰ উক্ত গ্ৰন্থত সত্ৰৰ ভূমিকাৰ ক্ষেত্ৰত এনেদৰে লিখিছে --

> - - - - মহাপুৰুষসকলে প্ৰৱৰ্তাই যোৱা সনাতন ভাগৱতী বৈষ্ণৱ ধৰ্ম অসমৰ সত্ৰ সমূহে কেৱল যে ভৈয়ামৰ অসমীয়া সমাজতেইহে প্ৰৱৰ্তাই আহিছে এনে নহয়। অসমৰ উপজাতি, জনজাতি, মিৰি, মিচিমি, আবৰ, ভোট, গাৰো, খাচিয়া, মিকিৰ, লুছাই, মিজো, নগা, ডফলা আদি আৰু অসম উপত্যকাৰ চাহবাগানৰ বণুৱা কুলি আদি অনুন্নত জাতি সাম্প্ৰদায়ৰ মাজতো হিন্দু ধৰ্মৰ ব্যাপক প্ৰচাৰৰ লগতে সনাতন ভাগৱতী বৈষ্ণৱ ধৰ্মত ভকত কৰি আহিছে। - - - সেই মহাপুৰুষসকলৰ মহামন্ত্ৰ বাণী আৰু আদৰ্শ সমূহক শিৰোগত কৰি আজিও অসমৰ সত্ৰসমূহে পৰ্বত ভৈয়ামৰ নানা পিছপৰা জাতি, জনজাতি আদিৰ সমাজৰ মাজত নামঘৰ, মনিকূট আদি বিভিন্ন শিক্ষা দীক্ষাৰ কেন্দ্ৰস্থল নিৰ্মাণ কৰি তেওঁলোকক হিন্দুত্ববোধ জগাই তুলিছে।[১১]

---

১১. খগেন্দ্ৰ নাথ লেখাৰু : সত্ৰ আৰু সমাজ, প্ৰ: প্ৰ:, ১৯৮৪, পৃ: ৪৬